**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-06-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

উৎকট গৰমৰ পৰিপ্ৰেক্ষিতত আজিৰেপৰা ৰাজ্যৰ বিদ্যালয়সমূহৰ পাঠদানৰ সময় সাল-সলনি কৰা হৈছে। এই অনুসৰি বিদ্যালয়সমূহৰ পাঠদান পুৱা চাৰে ৭ বজাৰ পৰা আৰম্ভ হৈছে। বিদ্যালয়সমূহৰ পৰিদৰ্শকে কালি এই সন্দৰ্ভত জাৰি কৰা নিৰ্দেশ অনুসৰি প্ৰাতঃসভা শ্ৰেণীকোঠাৰ ভিতৰত অথবা ছাঁ পৰা স্থানত অনুষ্ঠিত কৰা হৈছে। তদুপৰি ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়ত থকা সময়ছোৱাত পৰ্যাপ্ত পৰিমাণে পানী খোৱাটো নিশ্চিত কৰাৰ বাবে বিদ্যালয়ৰ প্ৰাংগণত খোৱাপানীৰ সুবিধা নিশ্চিত কৰিবলৈ নিৰ্দেশটোত উল্লেখ কৰা হৈছে। বিদ্যালয়সমূহৰ শ্ৰেণীকোঠাত যাতে ভালদৰে বতাহ চলাচল কৰিব পাৰে আৰু সকলো বৈদ্যুতিক ফেন কাৰ্যক্ষম হৈ থকাটো নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

০০০০০০

ৰাজ্যিক মন্ত্ৰীসভাই আশা কৰ্মী আৰু আশা নিৰীক্ষকসকলৰ মাননী বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। দিছপুৰত কালি অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত গ্ৰহণ কৰা এই সিদ্ধান্ত অনুসৰি পহিলা অক্টোবৰৰ পৰা আশাকৰ্মীসকলে ৪ হাজাৰ আৰু আশা নিৰীক্ষকসকলে ১০ হাজাৰ ২০০ টকা মাহেকীয়া মাননী লাভ কৰিব। মন্ত্ৰীসভাই লগতে মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ অধীনত এহেজাৰ ১১ টা অব্যক্তিগত ন্যায়িক অনুষ্ঠানৰ সপক্ষে নিষ্পত্তিৰে হোৱা ভূমি আৱণ্টনত অনুমোদন জনায়। তদুপৰি ১৪৬ টা চৰকাৰী শিক্ষা প্ৰতিষ্ঠান, কাৰ্যালয়, স্বাস্থ্য প্ৰতিষ্ঠান, অঙ্গনবাড়ী কেন্দ্ৰ আৰু অন্যান্য চৰকাৰী আন্তঃগাথনি প্ৰকল্পৰ বাবে চৰকাৰী ভূমি আৱণ্টনতো মন্ত্ৰীসভাই অনুমোদন দিয়ে। মন্ত্ৰীসভাই প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ, অসমৰ নাম সলনি কৰি অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ নামেৰে নামকৰণ কৰাৰ প্ৰস্তাৱতো অনুমোদন জনায়।

০০০০০০

যোৰহাট জিলাৰ আয়ুক্ত জয় শিৱানীয়ে কালি যোৰহাট-জাঁজী ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ কাম পৰিদৰ্শন কৰে। আয়ুক্তগৰাকীয়ে ভোগদৈ আৰু জাঁজী দলঙৰ কাম-কাম অতিশীঘ্ৰেই সম্পূৰ্ণ কৰিবলৈ কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে পথ নিৰ্মাণৰ কাম ৯৭ শতাংশ কাম সম্পূৰ্ণ হৈছে আৰু চাৰিলেনযুক্ত এই পথ যাতায়াতৰ বাবে মুকলি কৰি দিয়া হৈছে।

০০০০০০

ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি লখিমপুৰ জিলা প্ৰশাসন, জল সম্পদ বিভাগ আৰু এন এইচ পি চিৰ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত জিলাখনৰ বান পৰিস্থিতিৰ লগতে বান আৰু খহনীয়া নিয়ন্ত্ৰণ আঁচনিসমূহৰ ৰূপায়ণ সন্দৰ্ভত আলোচনা কৰা হয়। মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যমযোগে জনাইছে যে সোৱণশিৰি নদীৰ ভাটিখণ্ডত ভীমপৰা, ঘূণাখুটি আৰু পূব

তেলাহী পঞ্চায়তত ৰাজ্য চৰকাৰৰ অধীনত ৫৬ কোটি টকা আৰু এন এইচ পি চিৰ অধীনত ২০৯ কোটি টকা অনুমোদন দিয়া হৈছে। মন্ত্ৰীগৰাকীয়ে অহা ২০২৬ বৰ্ষৰ ফেব্ৰুৱাৰীৰ ভিতৰত কামসমূহ সম্পূৰ্ণ কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে।

মন্ত্ৰীগৰাকীয়ে লগতে ধেমাজি জিলাত সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰালয়ৰ আঁচনিৰ অধীনত ৬২৩ গৰাকী দিব্যাংগ হিতাধিকাৰীৰ মাজত ৩ হাজাৰ ৫৩৩ বিধ সা-সঁজুলি বিতৰণ কৰে। ভাৰতীয় কৃত্ৰিম অংগ উৎপাদন নিগমৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত ধেমাজিৰ ৰাজহুৱা প্ৰেক্ষাগৃহত আয়োজিত সামাজিক অধিকাৰিতা শিবিৰত অংশগ্ৰহণ কৰি ডাঃ পেগুৱে কয়, যে নিজৰ অক্ষমতাৰ বিষয়ে চিন্তা-চৰ্চা কৰাৰ পৰিৱৰ্তে সক্ষম দিশসমূহত মনোনিৱেশ কৰিলে সফলতা লাভ কৰিব পাৰি।

০০০০০০

বৰাক উপত্যকাৰ বিকাশ ত্বৰান্বিত কৰাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি দিশপুৰৰ লোকসেৱা ভৱনত মন্ত্ৰী, বিধায়ক তথা বৰাক উপত্যকা উন্নয়ন বিভাগৰ বিষয়া কৰ্মচাৰীসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। বৈঠকত মুখ্যমন্ত্ৰীগৰাকীয়ে বৰাক উপত্যকাৰ আৰ্থসামাজিক আৰু কৌশলগত দিশসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰি কাছাৰ, শ্ৰীভূমি আৰু হাইলাকান্দি জিলাৰ সামগ্ৰিক বিকাশৰ বাবে উমৈহতীয়া উন্নয়ন লক্ষ্যৰ পোষকতা কৰে। তেওঁ লগতে বৰাক উপত্যকাত চলি থকা উন্নয়নমূলক প্ৰকল্পসমূহ নিৰ্ধাৰিত সময়ত সম্পন্ন কৰাত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে বৰ্তমান ৰাজ্য চৰকাৰে বৰাক উপত্যকাৰ তিনিওখন জিলাৰ জনসাধাৰণক সমানে উপকৃত কৰিব পৰা পৰিকল্পনাৰ কথা চিন্তা চৰ্চা কৰি আছে। বৰাক উপত্যকাৰ জনসাধাৰণ বিশেষকৈ ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে চৰকাৰে দিল্লীৰ লগতে কলকাতাতো বৰাক উপত্যকা ভৱন স্থাপনৰ বাবে পদক্ষেপ লৈছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। বৈঠকত মুখ্যমন্ত্ৰীগৰাকীয়ে উপত্যকাটোৰ জিলাকেইখনৰ সকলো অসামৰিক চিকিৎসালয়ত এম আৰ আই সুবিধা আৰম্ভ কৰাৰ বাবে নিৰ্দেশ দিয়ে।

০০০০০০

মণিপুৰৰ ৫ খন উপত্যকা জিলাত আজিৰেপৰা পৰৱৰ্তী জাননী জাৰি নকৰা পৰ্যন্ত পুৱা ৫ বজাৰ পৰা সন্ধিয়া ৫ বজালৈ ১২ ঘণ্টাৰ বাবে সান্ধ্য আইন শিথিল কৰি দিয়া হৈছে। অৱশ্যে ইণ্টাৰনেট আৰু মোবাইল ডাটা সেৱাৰ ক্ষেত্ৰত এই ৫ খন জিলাত আৰোপ কৰা নিষেধাজ্ঞা অব্যাহত থাকিব। উল্লেখযোগ্য যে ইম্ফল পশ্চিম, ইম্ফল পূব, থৌবাল, কাকচিং আৰু বিষ্ণুপুৰ জিলাত হোৱা ব্যাপক প্ৰতিবাদৰ বাবে যোৱা শনিবাৰে সান্ধ্য আইন জাৰি কৰা হৈছিল।

০০০০০০

ডিব্ৰুগড় জিলা বন বিভাগে পক্ষী নিধনত জড়িত দুজন ব্যক্তিক গ্ৰেপ্তাৰ কৰিছে। জিলাখনৰ মানকটাৰ এখন বাঁহনিবাৰীত আশ্ৰয় লৈ থকা পাঁচটাৰো অধিক বগলী বিজয় মাঝি আৰু ৰাজেশ কৰ্মকাৰ নামৰ ব্যক্তি দুজনে নিধন কৰিছিল। স্থানীয় এজন সচেতন ব্যক্তিয়ে সমগ্ৰ ঘটনাৰ দৃশ্য মোবাইলৰ কেমেৰাত বন্দী সামাজিক মাধ্যমৰ জৰিয়তে বন বিভাগক দৃষ্টিগোচৰ কৰাৰ পাছতে দুয়োজন ব্যক্তিক গ্ৰেপ্তাৰ কৰা হয়।

০০০০০০

সমাপ্ত